দৈনিক
অগ্ৰদূত

যোৰহাট বুধবাৰ ৫ আঘোণ ১৪২৪ ভাস্কৰাব্দ ২২ নৱেম্বৰ ২০১৭

জিম্বাব'ৱেৰ পৰিস্থিতি

জিম্বাব'ৱেৰ ৰাষ্ট্ৰপতি ৰবাৰ্ট মুগাবেক আফ্ৰিকা মহাদেশৰ এগৰাকী ঔপনিবেশবাদ বিৰোধী নায়ক হিচাপে সকলোৱে গণ্য কৰিছিল। মুগাবেক এক চিন্তাশীল গৰিলা আখ্যা দিয়া হৈছিল। ১৯৮০ত ব্ৰিটেইনৰ পৰা মুক্ত হোৱাৰ সংগ্ৰামৰ নেতৃত্ব দিয়া এই ৰাষ্ট্ৰনেতাগৰাকী এতিয়া নিজ দেশতেই এলাগী হৈ পৰিছে। জিম্বাব'ৱেৰ শাসক দল জানু পি এফ দলে যোৱা সোমবাৰলৈ পদত্যাগৰ বাবে সময়-সীমা বান্ধি দিছিল যদিও মুগাবেই তাত সন্মতি দিয়াৰ কোনো লক্ষণ প্ৰকাশ কৰা নাছিল।

ইমান জনপ্ৰিয় আন্তৰ্জাতিকভাৱে খ্যাত নেতা মুগাবেই নিজ দেশতেই জনপ্ৰিয়তা হেৰুৱাবলগীয়া কিয় হ'ল সেয়া লক্ষ্যণীয়। যোৱা ৩৭ বছৰে ৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰপতি ৰূপে কাৰ্যনিৰ্বাহ কৰা মুগাবেই তেওঁৰ কাৰ্যকালৰ পিছৰছোৱাত একপ্ৰকাৰৰ স্বৈৰাচাৰী শাসন চলাবলৈ ল'লে। এনেদৰে স্বৈৰাচাৰী শাসন চলোৱাৰ বাবে দেশৰ সংবিধানখনো দায়ী। কিয়নো জিম্বাব'ৱেৰ সংবিধানে দেশৰ ৰাষ্ট্ৰপতিগৰাকীক এদনীয়া ক্ষমতা অৰ্পণ কৰিছে। সম্প্ৰতি শাসক দলটোৱে ৰাষ্ট্ৰপতি পদৰ ক্ষমতা কৰ্তন কৰি সংবিধান সংশোধনৰ প্ৰস্তাৱ আগবঢ়াইছে যাতে ভৱিষ্যতে কোনো ৰাষ্ট্ৰপতিয়েই মুগাবেৰ দৰে অধিক ক্ষমতা পাই স্বৈৰাচাৰী আচৰণ কৰিব নোৱাৰে। ১৯৯০ৰ পাছত দেশখনৰ অৰ্থনীতিত এক সংকট আহি পৰে আৰু মুগাবেৰ বিৰোধী সকলো লাহে লাহে শক্তিশালী হৈ উঠে। মুগাবেই সেই সময়ত দেশখনত থকা শ্বেত লোকৰ বহুতো পাম জব্দ কৰে, বিৰোধী নেতাসকলক জেললৈ নিক্ষেপ কৰে আৰু সকলো ধৰণৰ বিৰোধিতা মষিমূৰ কৰাৰ বাবে সামৰিক শক্তি প্ৰয়োগ কৰিবলৈ লয়। এনেদৰেই মুগাবেই নিজকে দেশৰ জনসাধাৰণৰ মাজত জনপ্ৰিয়তা হেৰুৱাবলৈ ধৰে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশৰ এগৰাকী মুক্তিযুঁজাৰু মুট্‌চাংগাৰাই যোৱা ডেৰ বছৰ কাল ধৰি মুগাবে বিৰোধী আন্দোলনৰ নেতৃত্ব লয়। উল্লেখ্য যে অলপতে ৰাষ্ট্ৰপতি মুগাবেই উপ-ৰাষ্ট্ৰপতি নাংগাগুৱাক সেই পদৰ পৰা বৰ্খাস্ত কৰিছিল। আচলতে মুগাবেৰ ৫২ বছৰীয়া পত্নী গ্ৰেছে পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণৰ পৰিকল্পনা কৰিয়েই জনপ্ৰিয় উপ-ৰাষ্ট্ৰপতি নাংগাগুৱাক বৰ্খাস্ত কৰিছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীক বৰ্খাস্ত কৰাৰ পাছত জিম্বাব'ৱেৰ ৰাজনীতিয়ে নতুন ৰূপ লয়। দেশৰ সামৰিক বাহিনীয়ে মুগাবে আৰু তেওঁৰ পত্নীক গৃহবন্দী কৰি ৰাখে। সামৰিক বাহিনীৰ এই কাৰ্যৰ সমৰ্থনত তথা বৰ্খাস্ত উপ-ৰাষ্ট্ৰপতিগৰাকীৰ সমৰ্থনত জিম্বাব'ৱেৰ ৰাজধানী হাৰাৰেত হেজাৰ হেজাৰ লোক ৰাজপথলৈ ওলাই আহে। মুগাবেৰ সমৰ্থনত কেৱল মুগাবেৰ ভাগিন পেট্ৰিক জুৱাও আছে যদিও তেৰোঁ পলাতক হৈ আছে।

জিম্বাব'ৱেত পৰৱৰ্তী চৰকাৰ বৰ্খাস্ত উপ-ৰাষ্ট্ৰপতি নাংগাগুৱাৰ নেতৃত্বতেই হ'ব বুলি ধৰি লোৱা হৈছে। বিৰোধীসকলকো লৈ এক ঐক্যবদ্ধ চৰকাৰ গঢ়ি তোলাৰ বাবে মুগাবে বিৰোধী নেতাসকলে পৰিকল্পনা কৰিছে। বহুতেই অৱশ্যে নতুন চৰকাৰৰ স্থিতি কি হ'ব তাকে লৈ উদ্বেগো প্ৰকাশ কৰিছে। বিশেষকৈ চৰকাৰ ভঙা-গঢ়াত সামৰিক বাহিনীৰ ভূমিকা বা হস্তক্ষেপ দেশখনৰ গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয় বুলি বহুতেই ক'ব খোজে। সামৰিক বাহিনীয়ে এবাৰ নিজৰ শক্তি প্ৰদৰ্শন কৰিব পাৰিলে পাছলৈ নতুন চৰকাৰকো নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰে। সামৰিক বাহিনীৰ বহতীয়া চৰকাৰ এখনে কেতিয়াও দেশত গণতান্ত্ৰিক প্ৰশাসন চলাব নোৱাৰে। গতিকে নতুন চৰকাৰে সামৰিক বাহিনীৰ ভূমিকা নিয়ন্ত্ৰণলৈ আনিব লাগিব যদিহে দেশৰ গণতন্ত্ৰক জীয়াই ৰাখিব খোজে।

মুগাবেৰ এই নায়কৰ পৰা খলনায়কলৈ ৰূপান্তৰৰ কাৰণবোৰ বিশ্লেষণ কৰা দৰকাৰ। সুদীৰ্ঘ কাল শাসনত থকাৰ পাছত শাসন ক্ষমতা ধৰি নাৰাখি উপযুক্ত উত্তৰসূৰীৰ হাতত দেশৰ নেতৃত্ব গতাই দিয়াৰ বাবে মুগাবেই দেশনেতা এগৰাকী প্ৰস্তুত কৰা উচিত আছিল। তাকে নকৰি তেওঁ অৱশেষত নিজৰ বিপদ চপাই লোৱাটো স্পষ্ট হৈ পৰিল। কোনোৱেই চিৰদিনে নেতা হৈ থাকিব নোৱাৰে। যিহেতু মানুহৰ জীৱনকাল সীমিত। সি যি কি নহওক, জিম্বাব'ৱেত মুগাবেৰ পতনৰ পাছত নতুন চৰকাৰে কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিব তালৈ বিশ্ব ৰাজনৈতিক পৰ্যবেক্ষকসকলে আগ্ৰহেৰে বাট চাই আছে।

খোলা মঞ্চ

অসমীয়া ভাষা-সাহিত্যৰ ভৱিষ্যৎ?



মহেন্দ্ৰ বৰা, লেখক

ভাষাৰ জীৱনীশক্তি হ'ল সাহিত্য। সাহিত্য ভাষা আৰু জাতিৰ পৰিচায়ক। অসমীয়া ভাষা-সাহিত্যৰ স্বতন্ত্ৰ লিপি বহু যুগ আগৰ। ই ভাৰত ৰাষ্ট্ৰৰ স্বীকৃত ভাষা। ভাষা-সাহিত্য জীয়াই থাকে ব্যৱহাৰৰ ওপৰত। ইয়াৰ বাবে সচেতন থাকিব লাগে ভাষাটোৰ ভাষিক নাগৰিক, ভাষাতত্ত্ববিদ, প্ৰান্তীয় চৰকাৰ তথা আমোলাসকল।

বৰ্তমান অসমীয়াসকলৰ কিছু লোকৰ মাজত অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ কমিছে; কিন্তু ইংৰাজীৰ প্ৰতি আগ্ৰহ বাঢ়িছে। ইয়াৰ অৰ্থ এইটো নহয় যে ইংৰাজী ভাষাক মাতৃভাষা বুলিছে। বৰ্তমান সময়ত ইংৰাজী ভাষাই বিশ্ব দখল কৰিছে। বিশ্বৰ যিকোনো শিক্ষাৰ লগত প্ৰত্যাহ্বান জনাবলৈ ইংৰাজী ভাষাটো ভালদৰে জনাৰ প্ৰয়োজন হৈছে। সেয়ে অকল অসমীয়া ভাষিকসকলেই নহয়, ভাৰতবৰ্ষৰ সকলো ভাষিকৰ একেই অৱস্থা। উদাহৰণস্বৰূপে আঙুলিয়াব পাৰি তামিলভাষী (তামিলনাডু) সকললৈ। নিজৰ ভাষা অক্ষুণ্ণ ৰাখি ইংৰাজীতো সমানেই দখল ৰখা কথাটো।

অসমৰ মাতৃভাষা বা সাহিত্যৰ প্ৰতি ধ্যান-ধাৰণা কমাইছে ৰাজ্যৰ নেতৃত্বইহে। চৰকাৰে অসমীয়া বিদ্যালয়সমূহত ইংৰাজী শিক্ষাৰ ব্যৱস্থা কৰিছে যদিও উপযুক্ত পৰিৱেশ সৃষ্টি নকৰি নিজৰ স্বাৰ্থ আগত ৰাখি নতুন নতুন বিদ্যালয় খোলাতহে মন মেলিছে। সেইদৰে ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া বিষয়টো সন্তোষজনকভাৱে বাধ্যবাধকতা কৰাত চৰকাৰ আজিও বিফল। সেয়ে যিদৰে অসমীয়া মাধ্যমৰ বিদ্যালয়ত ইংৰাজী ভাষাটোৰ শিক্ষা দিয়া হয়, ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষাটোৰ শিক্ষা দিয়া নহয়। সেই কাৰণেই অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ শিক্ষাৰ্থী ইংৰাজীত আগবঢ়াৰ দৰে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া শিক্ষাৰ্থী অসমীয়াত আগবঢ়া নহয়। এই চেতনাহীনতাৰ কাৰণে ৰাজ্যখনত দোষী কোন?

এনে ভুলৰ মাজতো অসমীয়া ভাষা-সাহিত্যই নিৰ্ধাৰিত গতিত ক্ৰমাগতভাৱে আগবাঢ়ি আছে। অসমীয়া ভাষা-সাহিত্য যে স্বতন্ত্ৰ সেই কথা ইংৰাজৰ প্ৰমাণতে আৱদ্ধ নহয়। ১৯৩৫ত ছাৰ আশুতোষ মুখাৰ্জীৰ দ্বিতীয় পুত্ৰ শিক্ষাবিদ, আইনবিদ, তথা কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° শ্যাম প্ৰসাদ মুখাৰ্জীয়ে অসমীয়া ভাৰতীয় আধুনিক ভাষা হিচাপে মান্যতা দি কলিকতা বিশ্ববিদ্যালয়ত আৰম্ভ কৰিছিল। বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা আছিল বিৰিঞ্চি কুমাৰ বৰুৱা।

ৰাজ্যখনৰ সংখ্যা নীতিৰ প্ৰতি চৰকাৰ আৰু বুদ্ধিজীৱী নিঃস্বাৰ্থভাৱে প্ৰহৰী হৈ থাকিব লাগিব

বহিৰাগত বা বিদেশী যিয়েই নহওক কোনোৱেই অসমীয়া ভাষা-সাহিত্যৰ ওপৰত আঁচ টানিব নোৱাৰে। ইতিহাসে তাৰেই প্ৰমাণ দি আছে। লাচিত বৰফুকন, ইছমাইল ছিদ্দিক (বাঘ হাজৰিকা), মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, চান্দসাঁই, আজান ফকীৰ, আনন্দৰাম ঢেকিয়াল ফুকন, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, কলাগুৰু বিষ্ণু ৰাভাৰ পৰা আৰম্ভ কৰি ছহিদ অনিল বৰা, নৰেন মহন্ত, বলিন ৰাজখোৱা, প্ৰমোদ বৰা, মোজাম্মিল হক, ৰঞ্জিত বৰপূজাৰী, খৰ্গেশ্বৰ তালুকদাৰ আদি অসমীয়া জাতিৰ ঐক্য-সংহতিৰ স্তম্ভ। স্বাধীনতাৰ আগে-পাছে অহা হেজাৰ-বিজাৰ বহিৰাগত পৰিয়ালে অসম ভূমিক নিজৰ মাতৃভূমি আৰু অসমীয়া ভাষাক মাতৃভাষা হিচাপে সন্মান জনাই অসমীয়া ভাষা-সাহিত্য প্ৰগতিৰ পথত মন-শৰীৰ একাকাৰ কৰিছে।

বৰ্তমান সময়ত অভিজ্ঞ বা আভিজাত্যৰ নামত কিছু লোকক মাতৃভাষাৰ প্ৰতি উদাস দেখা গ'লেও আপোন ভাষাৰ বিপদ সহ্য কৰিব নোৱাৰে। এই বিপদৰ প্ৰতি ৰাজ্যখনৰ সংখ্যা নীতিৰ প্ৰতি চৰকাৰ আৰু বুদ্ধিজীৱী নিঃস্বাৰ্থভাৱে প্ৰহৰী হৈ থাকিব লাগিব। অসমীয়া ভাষা-সাহিত্য ভৱিষ্যতে বিশ্বৰ দৰবাৰলৈ গৌৰৱেৰে আগবাঢ়িব। অসমীয়া ভাষাৰ ভৱিষ্যৎ নিশ্চয় উজ্জ্বল হ'ব। আমি মাত্ৰ সদ্যবিদায়ী অসমৰ ৰাজ্যপাল বানোৱাৰীলাল পুৰোহিতৰ বিদায় ভাষণৰ প্ৰতি শ্ৰদ্ধা জনাই অসমীয়াৰ বল-বীৰ্য, সৌষ্ঠৱ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰতি ঐকান্তিক হোৱা প্ৰয়োজন।

ফোন ঃ ৯৮৫৪১৯১৪৯৭

তুলাচনীত মত প্ৰকাশৰ স্বাধীনতা

কথাত কোনোৱে যায় কটা কোনোৱে পায় বটা

নিউজ স্কেন

গীতাৰ্থ পাঠক

ৰাষ্ট্ৰীয় প্ৰেছ দিৱস ১৬ নৱেম্বৰৰ দিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবাদ মাধ্যমৰ স্বাধীনতা আৰু মতপ্ৰকাশৰ সকলো ধৰণৰ স্বাধীনতাক সুৰক্ষা প্ৰদান কৰিব বুলি দোহাৰি কৈছে যে মুক্ত সংবাদ মাধ্যম গণতন্ত্ৰৰ লাইখুঁটাসদৃশ। প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশৰ সকলো ধৰণৰ স্বাধীনতাক সুৰক্ষা দিব বুলি কোৱাৰ দিনাই অসম চৰকাৰে ড° হীৰেন গোহাঁই, হাইদৰ হুছেইন, মনজিৎ মহন্তকে ধৰি কে'বাগৰাকী বুদ্ধিজীৱীৰ বিৰুদ্ধে মত প্ৰকাশৰ অপৰাধত গোচৰ তৰি থানালৈ চমন জাৰি কৰিছে। একেই সময়ছোৱাতেই প্ৰৰোচনামূলক বক্তব্য ৰখাৰ অপৰাধত যোৱা ২৩ ছেপ্টেম্বৰত ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত গ্ৰেপ্তাৰ কৰা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা অখিল গগৈক ১২ মাহলৈ বন্দী হ'ব পৰাকৈ ৰাজ্য চৰকাৰে এক নিৰ্দেশনা জাৰি কৰিছে এন এছ এৰ উপদেষ্টা পৰিষদে গগৈৰ গ্ৰেপ্তাৰত অনুমোদন জনোৱাৰ পাছত।

মত প্ৰকাশৰ স্বাধীনতা সীমাহীন নহয়

গণতান্ত্ৰিক দেশ এখনত বৈধভাৱে পতা ৰাজহুৱা সভাত সকলোৱে অংশগ্ৰহণ কৰিব পাৰে। সকলোৱে নিজৰ মতামত ব্যক্ত কৰিব পাৰে। এগৰাকী বক্তাৰ মতামতৰ বাবে সভাত উপস্থিত থকা আন এগৰাকী বক্তা বা শ্ৰোতা দায়ী হ'ব নোৱাৰে।



আমি জানো মত প্ৰকাশৰ স্বাধীনতা সীমাহীন নহয়। ভাৰতীয় সংবিধান আৰু বিভিন্ন আইনত মত প্ৰকাশৰ ক্ষেত্ৰত কেতবোৰ বাধা-নিষেধ আৰোপ কৰা হৈছে। ভাৰতীয় সংবিধানৰ ১৯ নম্বৰ অধ্যায় অনুসৰি ভাৰতৰ নাগৰিকক মত প্ৰকাশৰ স্বাধীনতা দিয়া হৈছে যদিও ১৯ (২)ত সাৰ্বভৌমত্ব, ভাৰতৰ সংহতি, দেশৰ নিৰাপত্তা, বিদেশী ৰাষ্ট্ৰৰ স'তে বন্ধুত্বপূৰ্ণ সম্পৰ্ক, সামাজিক সুশৃংখলা, শালীনতা বজাই ৰখা, নৈতিকতা, আদালত অৱমাননা, মানহানি আৰু অপৰাধক উৎসাহিত কৰা আদিৰ ক্ষেত্ৰত মত প্ৰকাশৰ স্বাধীনতাত কেতবোৰ বাধা-নিষেধ আৰোপ কৰা হৈছে— যাক যুক্তিসংগত বাধা-নিষেধ আখ্যা দিয়া হৈছে। পিছে জৰুৰীকালীন অৱস্থাকে ধৰি বিভিন্ন সময়ত ৰাষ্ট্ৰই চৰকাৰক সমালোচনা কৰাৰ বাবেই বিভিন্ন আইনৰ ধাৰা প্ৰয়োগ বা অপপ্ৰয়োগ কৰি মুক্ত চিন্তাক লেকাম লগাবলৈ চেষ্টা চলাই আহিছে। কিশোৰী মোহন বনাম পশ্চিমবংগ ৰাজ্য গোচৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে আইন শৃংখলা, সামাজিক সুশৃংখলা আৰু ৰাষ্ট্ৰৰ নিৰাপত্তা এই তিনিওটা সম্পৰ্কে থকা ধাৰণা স্পষ্ট কৰি দি কৈছে যে সমাজৰ শান্তি, সুস্থিৰতা ভংগ কৰাটোৱেই সামাজিক সুশৃংখলা ভংগ কৰা, কিন্তু চৰকাৰক সমালোচনা কৰাটোৱে সামাজিক সুশৃংখলতাত বিঘিনি নঘটায়। অৱশ্যে যিকোনো শ্ৰেণীৰ লোকৰ ধৰ্মীয় অনুভূতিত আঘাত কৰাটো যুক্তিসংগত বাধা-নিষেধৰ ভিতৰত পৰে বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে।

জমিয়ত উলেমা-ই-হিন্দৰ মুৰব্বী আৰ্শ্বাদ মাদানীয়ে অসমত বৰ্তমান চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ সন্দৰ্ভত কৰা বক্তব্যত অসমৰ বিভিন্ন সংগঠন তথা দল জাঙুৰ খাই উঠিছে। আৰ্শ্বাদ মাদানীয়ে অসম আন্দোলনৰ সময়তো বিভিন্ন ধৰণৰ বক্তব্যৰে অসম আন্দোলনৰ নেতা তথা আন্দোলনকাৰীসকলক ক্ষুব্ধ কৰি তুলিছিল। আৰ্শ্বাদ মাদানীয়ে কৈছিল যে অসমত মুছলমানসকলৰ নাগৰিকত্ব হৰণ কৰাৰ এক ষড়যন্ত্ৰ চলিছে। এন আৰ চিৰ পৰা নাম বাদ পৰিলে অসমৰ মুছলমানসকল বহি নাথাকে। মৰিম মাৰিম বুলিও কৈছে হেনো। তদুপৰি মাদানীয়ে কৈছে যে বৰ্তমান অসমত চলি থকা এন আৰ চি প্ৰস্তুতকৰণক বিপথে পৰিচালিত কৰিলে অসমত ম্যানমাৰৰ দৰে পৰিস্থিতিৰ সৃষ্টি হ'ব। মাদানীয়ে কোৱা এই ভাষ্য আমি সংবাদ মাধ্যমৰ পৰাহে আহৰণ কৰি উল্লেখ কৰিছো। স্বাভাৱিকভাৱে মাদানীৰ এই বক্তব্যক উচটনিমূলক বক্তব্য বুলি ক'বই লাগিব। অসমৰ মুছলমানসকলৰ নাম এন আৰ চিত নোসোমালে তেওঁ মুছলমানসকলক প্ৰতিশোধ ল'বলৈ কৈছে। শুনাত এয়া সাম্প্ৰদায়িকভাৱে উচটনিমূলক বক্তব্য। এটা ধৰ্মীয় সম্প্ৰদায়ক আন এটা সম্প্ৰদায়ৰ বিৰুদ্ধে উচটনি দিয়াৰ বাক্-স্বাধীনতা কাৰো নাই। পিছে আৰ এছ এছ আৰু বিশ্ব হিন্দু পৰিষদৰ নেতা ক্ৰমে মোহন ভাগৱত আৰু প্ৰবীণ টোগাড়িয়াই অসমলৈ আহি অসমত ৭০ লাখ বাংলাদেশী আছে আৰু এই মুছলমানসকলক যিকোনো উপায়ে খেদিব লাগে বুলি উচটনিমূলক বক্তব্য দিয়া আমি দেখিছো। অসমৰ বিজেপিৰ এগৰাকী বিধায়ক শিলাদিত্য দেৱে অসমৰ প্ৰায়বোৰ মুছলমান বাংলাদেশী বুলি কৈছে আৰু আনকি অসম বিধানসভাত এগৰাকী বিধায়কো বাংলাদেশী বুলি কৈ মুছলমান বিৰোধী উচটনিমূলক বক্তব্য ৰখা কথা আমি জানো। চৰ অঞ্চলত মুছলমান বসবাস কৰে গতিকে চৰ অঞ্চলত উন্নয়নৰ ধন আৱন্টন দিব নালাগে বুলিও তেওঁ কৈছে। এনেবোৰ উচটনিমূলক বক্তব্যৰ বিৰুদ্ধে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। আইনৰ তুলাচনীত সকলো সমান। কাৰোবাৰ বাবে আইন থাকিব, কাৰোবাৰ বাবে নাথাকিব— তেনে হ'ব নোৱাৰে।

আৰ এছ এছৰ নেতা কুণ্ডন চন্দ্ৰাৱতে কেৰালাৰ মুখ্যমন্ত্ৰী পি বিজয়নৰ মূৰটো যিয়ে কাটি আনিব পাৰিব তেওঁক এক কোটি টকা পুৰস্কাৰ দিব বুলি ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। গোধ্ৰাত মুছলমানসকলে ৫৫ গৰাকী হিন্দুক হত্যা কৰাৰ বাবে তেওঁলোকে দুহেজাৰ মুছলমানক গুজৰাটত হত্যা কৰিছিল বুলি কৈ গৰ্ববোধো কৰিছিল এইগৰাকী নেতাই। মীৰুটৰ এগৰাকী ব্যক্তিয়ে সম্প্ৰতি 'পদ্মাৱতী' ছবিৰ নায়িকা দীপিকা পাডুকন আৰু ছবিৰ নিৰ্মাতা সঞ্জয় লীলা বাঞ্চালীৰ মূৰৰ মূল্য পাঁচ কোটি ঘোষণা কৰিছে। এই ঘোষণাত উৎফুল্লিত হৈ হাৰিয়ানাৰ বিজেপিৰ এগৰাকী শীৰ্ষ পৰ্যায়ৰ নেতা সূৰযপাল আমুৱে যিয়ে দীপিকা পাডুকন আৰু বাঞ্চালীৰ মূৰ কাটি আনিব তেওঁলোকক ১০ কোটি টকা দিয়া হ'ব বুলি ঘোষণা কৰিছে। 'পদ্মাৱতী' ছবিত আলাউদ্দিন খিল্‌জীৰ ভাও লোৱা ৰণবীৰ সিঙৰ ঠেং ভাঙি দিয়া হ'ব বুলিও বিজেপিৰ নেতাগৰাকীয়ে কৈছে। বিজেপি দলে পাছত এই নেতাগৰাকীৰ ভাষ্যক নিন্দা কৰি বিবৃতি দিছে যদিও এই নেতাগৰাকীৰ বিৰুদ্ধে কোনো আইনগত ব্যৱস্থা লোৱা হোৱা নাই। কুণ্ডন চন্দ্ৰাৱতৰ বিৰুদ্ধেও কোনো ধৰণৰ আইনী ব্যৱস্থা লোৱা হোৱা নাই। শিলাদিত্য দেৱৰ ক্ষেত্ৰতো একেই কথা প্ৰযোজ্য। বিশ্ব হিন্দু পৰিষদৰ নেতা প্ৰবীণ টোগাড়িয়াই গুজৰাটৰ হিন্দু বসতিপূৰ্ণ অঞ্চলৰ পৰা মুছলমানসকলক উচ্ছেদ কৰা হ'ব বুলি কোৱাৰ পাছতো তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হোৱা নাই। অকল সেয়ে নহয় ভালেমান বিজেপি আৰু হিন্দুত্ববাদী নেতাই নিয়মিতভাৱে ঘৃণা উদ্ৰেক কৰিব পৰা উচটনিমূলক মন্তব্য আগবঢ়াই আছে। তেওঁলোকৰ ভিতৰত আছে প্ৰবীণ টোগাড়িয়া, মোহন ভাগৱতৰ উপৰি বিজেপি সাংসদ সুব্ৰমণিয়ম স্বামী, গিৰিৰাজ সিং, সাক্ষী মহাৰাজ, সাধ্বী নিৰঞ্জন জ্যোতি, যোগী আদিত্য নাথ, সঞ্জয় ৰাউত আদি। বৰ্তমান উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে মছজিদবোৰ গাহৰিৰ গঁড়াল কৰিব লাগে আৰু হিন্দুৰ পবিত্ৰ স্থানসমূহত মুছলমানৰ প্ৰৱেশ নিষিদ্ধ কৰিব লাগে বুলি কৈছিল। মহাত্মা গান্ধীৰ হত্যাকাৰী নাথুৰাম গড়চেক দেশপ্ৰেমী বুলি সাক্ষী মহাৰাজে ঘোষণা কৰিছিল। সুব্ৰমণিয়ম স্বামীয়ে কোৱা বুলি প্ৰকাশ যে ঈশ্বৰ কেৱল মন্দিৰতহে থাকে মছজিদ আৰু গিৰ্জাত নাথাকে। এই আটাইবোৰ কথা লিখিব লাগিলে অন্ত নপৰিব। সম্প্ৰতি নগাসকলক গুলীয়াই মাৰিব লাগে বুলি মন্তব্য আগবঢ়োৱা অসমৰ হিন্দুত্ববাদী বুদ্ধিজীৱীগৰাকীৰ প্ৰৰোচনামূলক বক্তব্যৰ বাবে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। অথচ কোনো ধৰণৰ প্ৰৰোচনামূলক বক্তব্য নৰখা সত্ত্বেও কেৱল চৰকাৰৰ মনপুত নোহোৱা বক্তব্যৰ বাবে ড° হীৰেন গোহাঁইকে ধৰি কে'বাগৰাকীও বুদ্ধিজীৱীৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ল। আশ্চৰ্যৰ বিষয় যে কোনো বক্তব্য নৰখা সত্ত্বেও কেৱল দিল্লীত অনুষ্ঠিত জমিয়ত-ই-উলেমা হিন্দৰ মুৰব্বী ছৈয়দ আৰ্শ্বাদ মাদানীৰ স'তে সভা এখনত অংশগ্ৰহণ কৰাৰ দায়তেই কে'বাগৰাকী বুদ্ধিজীৱীক পুলিচে সোধ-পোচ কৰি হাৰাশাস্তি কৰিলে। গণতান্ত্ৰিক দেশ এখনত বৈধভাৱে পতা ৰাজহুৱা সভাত সকলোৱে অংশগ্ৰহণ কৰিব পাৰে। সকলোৱে নিজৰ মতামত ব্যক্ত কৰিব পাৰে। এগৰাকী বক্তাৰ মতামতৰ বাবে সভাত উপস্থিত থকা আন এগৰাকী বক্তা বা শ্ৰোতা দায়ী হ'ব নোৱাৰে। কোনে কেনেদৰে সভালৈ গ'ল, কোনে অহা-যোৱাৰ খৰচ দিলে, সভাত কোন আছিল ইত্যাদি অপ্ৰাসংগিক বিষয়বোৰ দাঙি ধৰি অসমৰ বুদ্ধিজীৱী কেইগৰাকীক খলনায়ক সজোৱা হ'ল। অসমত যি সময়ত হাতত বন্দুক-বাৰুদ লৈ বোমা বিস্ফোৰণ ঘটাই প্ৰায় শতাধিক লোকক হত্যা কৰা সন্ত্ৰাসবাদীয়ে চৰকাৰী আতিথ্য পাই দিন নিয়াইছে, তেতিয়া অখিল গগৈৰ দৰে গণতান্ত্ৰিক আন্দোলনৰ নেতা এগৰাকীয়ে মাত্ৰ হাতত বন্দুক তুলি ল'ব পাৰো বুলি কোৱাৰ বাবেই জেলৰ ভাত খাবলগীয়া হৈছে। ৩০ অক্টোবৰৰ ধাৰাবাহিক বিস্ফোৰণৰ কথা আমি জানো পাহৰি যাব পাৰো!

প্ৰকৃততে প্ৰৰোচনামূলক বক্তব্যৰ নিৰ্দিষ্ট সংজ্ঞা নাই। যিয়ে যেনেদৰে লয়, তেনেদৰেই কথাবোৰ ধৰি লোৱা হয়। মহাৰাষ্ট্ৰত শিৱসেনাৰ প্ৰয়াত নেতা বাল থাক্‌ৰেই শিৱসেনা কৰ্মীসকলক হিংসাত্মক কাৰ্যত উচটনি দিয়াৰ কথা আমি সকলোৱে জানো। কিন্তু তেওঁৰ বিৰুদ্ধে কোনো চৰকাৰেই প্ৰৰোচনামূলক বক্তব্যৰ বাবে ব্যৱস্থা ল'ব পৰা নাছিল। সি যি কি নহওক, বাক্-স্বাধীনতাক যদিহে আমি গণতন্ত্ৰৰ প্ৰকৃত বাহক হিচাপে গ্ৰহণ কৰো তেনেহ'লে কাৰো বক্তব্যই সাংঘাতিক কোনো আইন-শৃংখলা পৰিস্থিতিৰ সৃষ্টি নকৰিলে তেনেবোৰ কথাত মন নিদিয়াটোৱেই ৰাষ্ট্ৰৰ বাবে মংগলকৰ। আৰ্শ্বাদ মাদানীৰ উচটনিমূলক বক্তব্যত অসমৰ মুছলমানসকল প্ৰভাৱান্বিত হোৱা নাই; বৰঞ্চ বহু মুছলমান সংগঠনে মাদানীৰ বক্তব্যক গৰিহণা দিছে। অখিল গগৈয়ে প্ৰয়োজন হ'লে বন্দুক তুলি ল'ব বুলি কোৱা কথাষাৰ খঙৰ ভমকত কোৱা কথা। বাস্তৱত তেওঁ বন্দুক তুলি কেতিয়াও লোৱা নাই। আগেয়ে উল্লেখ কৰিছো যে খঙৰ ভমকত মাকেও নিজৰ সন্তানক মাৰি পেলাম বুলি কয়। এনেদৰে কোৱাৰ বাবে কোনো মাতৃৰ বিৰুদ্ধে হত্যাৰ চেষ্টাৰ অভিযোগ অনাটো যেনেদৰে যুক্তিসংগত নহয়, অখিল গগৈৰ ক্ষেত্ৰতো কথাটো তেনেদৰে চৰকাৰে ল'ব পাৰিলেহেঁতেন। কথা বা মত প্ৰকাশ কোনে কেনেদৰে কৰিছে সেইবোৰ যদিহে তদন্ত কৰিব লাগে, তেনেহ'লে চৰকাৰক আৰু হেজাৰটা পুলিচ, চোৰাংচোৱা বাহিনী লাগিব।

অসমত শুদ্ধ এখন ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত হ'লে অসমৰ বিদেশী নাগৰিকৰ সমস্যাটোৰ সমাধান হ'ব। কিন্তু নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ ক্ষেত্ৰত সংখ্যালঘুসকলে যি অভিযোগ বা উদ্বেগ প্ৰকাশ কৰিছে চৰকাৰে সেই উদ্বেগ নিৰসন কৰা প্ৰয়োজন। আৰ্শ্বাদ মাদানীক জেলত ভৰাই থ'লেই সংখ্যালঘুসকলৰ উদ্বেগ শেষ হৈ নাযায়। চৰকাৰে যিহেতু সব্‌কা সাথ সবকা বিকাশ বিচাৰিছে তেনেহ'লে সকলোৰে অভাৱ-অভিযোগ চৰকাৰে শুনিব লাগিব আৰু তেওঁলোকৰ সমস্যাবোৰ দূৰ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চৰকাৰে কোনো এটা সম্প্ৰদায়ক একাষৰীয়া কৰি থৈ সকলোৰে বিকাশ সাধন কৰিব নোৱাৰে।

ফোন ঃ ৯৪৩৫০৪৮৪৮৪

সামাজিক মাধ্যমত বাক্-স্বাধীনতা আৰু উচ্চতম ন্যায়ালয়ৰ অভিমত

অভিমত

কিছুদিনৰ আগতে ভাৰতবৰ্ষৰ সৰ্বোচ্চ ন্যায়ালয়ে ফেচবুক, টুইটাৰ আদি সামাজিক মাধ্যম বা ছ'চিয়েল মিডিয়াত আপত্তিজনক আৰু আন ব্যক্তিৰ বাবে সন্মান হানিকৰ কথা লিখাৰ প্ৰৱণতাৰ ক্ৰমবৰ্দ্ধমানতা সম্পৰ্কত নিজৰ চিন্তা ব্যক্ত কৰাৰ লগতে এনে কাৰ্যত লিপ্ত লোকে ইয়াৰ যথাযথ ফল ভোগ কৰিব লাগে বুলিও মত প্ৰকাশ কৰে। সৰ্বোচ্চ ন্যায়ালয়ত দেশৰ দুগৰাকী জ্যেষ্ঠ আৰু সন্মানীয় অধিবক্তা ফলি নেৰিমান আৰু হৰিশ ছালভেই এই প্ৰসংগত নিজৰ বক্তব্য দাঙি ধৰি 'সামাজিক মাধ্যম'ক লৈ নিজৰ ভয়াবহ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰোতে ছালভেই নিজৰ 'টুইটাৰ একাউন্ট' বন্ধ কৰি দিবলগীয়া হোৱাৰ কথা ব্যক্ত কৰে আৰু নেৰিমানে কয় যে তেওঁৰ 'টুইটাৰ একাউন্ট' নথকা বাবে তেওঁ সুখী। অধিবক্তা দুগৰাকীৰ কথাত সহমত প্ৰকাশ কৰি মুখ্য ন্যায়াধীশ দীপক মিশ্ৰ, ন্যায়াধীশদ্বয় এ এম খানৱিলকাৰ আৰু ডি ৱাই চন্দ্ৰচূড়ক লৈ গঠিত তিনিজনীয়া বেঞ্চে এই কথাটো গুৰুত্ব সহকাৰে লয় যে মানুহৰ সুনাম তেওঁৰ মৌলিক অধিকাৰৰ স'তে যুক্ত আৰু ইয়াক সন্মান জনোৱাটো সকলোৰে কৰ্তব্য। নেৰিমানৰ দৰে লোকেও 'সামাজিক মাধ্যম'ত জঘন্য ধৰণৰ আক্ৰমণৰ বলি হ'বলগীয়া হোৱা কথাৰ উল্লেখ কৰি ন্যায়াধীশ চন্দ্ৰচূড়ে এই মাধ্যমসমূহৰ জৰিয়তে যথেষ্ট ভুল খবৰ মানুহৰ মাজত বিয়পি পৰা কথাটোক লৈয়ো নিজৰ চিন্তা ব্যক্ত কৰে।

এই গোটেই কথাবোৰ সৰ্বোচ্চ ন্যায়ালয়ত চৰ্চিত হয় আনক লঘু কৰিব পৰা মন্তব্যৰে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি তৃপ্তি পোৱা ভাৰতৰ বহু ৰাজনৈতিক নেতাৰ মাজত অন্যতম, সমাজবাদী পাৰ্টিৰ নেতা আজম খানৰ এটা বিতৰ্কিত মন্তব্যক কেন্দ্ৰ কৰি। উত্তৰ প্ৰদেশৰ বুলন্দ চহৰত সংঘটিত হোৱা এটা সমূহীয়া ধৰ্ষণৰ ঘটনাক ৰাজনৈতিক অভিসন্ধিৰ ফল বুলি আজম খানে দায়িত্বজ্ঞানহীন মন্তব্য দাঙি ধৰাৰ পাছত এই ঘটনাৰ বলি হোৱা মহিলাৰ পৰিয়ালে খানৰ বিৰুদ্ধে গোচৰ ৰজু কৰিছিল। এই প্ৰসংগতে সৰ্বোচ্চ ন্যায়ালয়ে সামাজিক মাধ্যমসমূহত প্ৰকাশিত এনেধৰণৰ মন্তব্যৰ ভয়াবহতাৰ প্ৰতি বিশেষ মনোযোগ দিয়ে।

সামাজিক মাধ্যমসমূহত সমাজৰ সকলো ধৰণৰ লোকে আন কোনো ব্যক্তি বা কোনো কাৰকৰ দ্বাৰা নিয়ন্ত্ৰিত নোহোৱাকৈ নিজৰ মত প্ৰকাশ কৰাৰ পূৰ্ণ স্বাধীনতা পায়। বিশেষকৈ নিজৰ কণ্ঠস্বৰ আন উপায়ে সমাজৰ অন্যান্যসকলৰ কাণত পেলাবলৈ অক্ষমসকলেও সামাজিক মাধ্যমত এই সুবিধা বাধাহীনভাৱে লাভ কৰে কাৰণে সমাজৰ বৃহৎসংখ্যক লোকৰ ওচৰত এই মাধ্যমসমূহৰ গুৰুত্ব আছে। কিন্তু এই মাধ্যমসমূহে আনি দিয়া এই সীমাহীন বাক স্বাধীনতাৰ সুযোগ লৈ বহুতে আনৰ বিৰুদ্ধে কুৎসা ৰটনা কৰা, আনক আঘাত দিব পৰা কথা লিখা আদিক নিজৰ জীৱনৰ ব্ৰততহে যেন কৰি লৈছে। এই অসমতে দেখিছো, আনকি শংকৰদেৱৰ দৰে ব্যক্তিও এনে মানসিকতাৰ লোকৰ আক্ৰমণৰ পৰা হাত সাৰিব পৰা নাই। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত সৰ্বোচ্চ ন্যায়ালয়ৰ এই শেহতীয়া ভূমিকা গুৰুত্বপূৰ্ণ।

বাক স্বাধীনতাৰ ওপৰত নিয়ন্ত্ৰণ কোনো গণতান্ত্ৰিক মনৰ মানুহেই মানি ল'ব নোৱাৰে। কিন্তু সেই বুলি আন যিকোনো স্বাধীনতাৰ দৰে বাক স্বাধীনতাও পৰম বা এবছল্যুট হ'ব নোৱাৰে। মত প্ৰকাশৰ অধিকাৰ, সমালোচনাৰ অধিকাৰ এখন গণতান্ত্ৰিক দেশত সকলোৰে আকাংক্ষিত। কিন্তু এই অধিকাৰ সিমানখিনিলৈকে গ্ৰহণযোগ্য, যিমানখিনিলৈকে ই আন এগৰাকী ব্যক্তিৰ মৰ্যাদা সহকাৰে জীয়াই থকাৰ অধিকাৰক খৰ্ব নকৰে। এই কথাটো মানি নচলা লোকসকলে আচলতে সামাজিক মাধ্যমত একধৰণৰ সন্ত্ৰাসবাদ চলায় বুলিয়ে ক'ব লাগিব।

ড° বিৰিঞ্চি কুমাৰ দাস
সহযোগী অধ্যাপক, ইংৰাজী বিভাগ
মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা
ফোন ঃ ৯৪৩৫৩২১০৯০

গঁড় হত্যা ৰোধৰ বাবে ল'ব পৰা ব্যৱস্থা

গঁড় নিধনৰ বাতৰি অসমীয়া ৰাইজৰ অহৰ্নিশে কেৱল মৰ্মান্তিক পীড়া। চকুৰ আগতেই এই আপুৰুগীয়া জীৱ বিধ যেন নাইকিয়া কৰিবলৈ চাৰিওফালে মৰাশত শগুণে পৰাদি পৰিছে। চৰকাৰৰ প্ৰতিশ্ৰুতি অসাৰ প্ৰতিপন্ন হ'বলৈ ধৰিছে। সেয়ে সমস্যাটোৰ সমাধানৰ সহায়ক হ'ব পৰাকৈ গঁড় হত্যা প্ৰতিৰোধৰ বাবে আমাৰ মনত উদয় হোৱা পৰামৰ্শ এটি আগবঢ়ালো।

বৰ্তমানৰ পদ্ধতিটো যথেষ্ট আসোঁৱাহ যুক্ত। সেই বাবেই বৰ্তমানৰ পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰা নাই; (১) পহৰা চকীবোৰ ভিতৰত আছে। তাত থকা ৰক্ষীসকলৰ গঁড়ৰ গতি বিধি, আচৰণ সকলোবোৰ নখ-দৰ্পণত। এনে অভিজ্ঞ পহৰাদাৰসকলক যিকোনো উপায়েৰে হাত কৰি চোৰাং চিকাৰীয়ে যিকোনো তথ্য সংগ্ৰহ কৰিব পাৰে, প্ৰয়োজন সাপেক্ষে সেইসকলক ব্যৱহাৰো কৰিবৰ বাবে সুযোগ ল'ব পাৰে। হয়তো এনেবোৰ কাৰণে অঘটনবোৰ যে হৈ আছে তাক নুই কৰিব নোৱাৰি। কিয়নো এনে সহযোগিতা পালে চিকাৰীয়ে নিৰ্বিঘ্নে কাৰ্য সমাপন কৰি ওলাই যোৱাত অসুবিধা নাই। আনহাতে, চোৰাং চিকাৰীয়ে ৰক্ষীৰ সাজ পোছাক পৰিধান কৰি বন ৰক্ষীৰ ভাও ধৰি হাতত মাৰণাস্ত্ৰ লৈ মুক্তমনে প্ৰৱেশ কৰিলেও কোনেও সন্দেহ কৰাৰ অৱকাশ নাথাকে।

২) উন্নত মানৰ অস্ত্ৰ-শস্ত্ৰ আজিৰ দিনত পুলিচক লাগিবই। কিন্তু যিমান উচ্চমানৰ আগ্নেয় অস্ত্ৰই নহওক চোৰৰ মুখামুখি নহ'লে গুলীয়াব কাক? কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান চাৰিওফালে উন্মুক্ত। চোৰৰ বাবে যিকোনো ফালেই অবাধ প্ৰৱেশ পথ। কোনফালৰ পৰা হাবিয়নিৰ তলে তলে লুকাই চোৰাং চিকাৰী আহিব কোনে দেখা পাবলৈ সক্ষম হ'ব, সকলোৱেই জানে চাবি তলা ভদ্ৰ লোকৰ বাবেহে, চোৰৰ বাবে নহয়। এনেবোৰ বহু আঁসোৱাহ হৈ থাকিলে ওলায়ে থাকিব। মুঠতে বৰ্তমানৰ সুৰক্ষা পদ্ধতিটোৱে একো কামত অহা নাই সেয়া সঁচা প্ৰমাণিত হৈ আছে।

অঞ্চলৰ ভিতৰত থকা পহৰা চকীবোৰ যিমান সোনকালে পাৰি সম্পূৰ্ণ উঠাই দিব লাগে আৰু এই চকীবোৰ কাজিৰঙা অঞ্চলটোৰ বাহিৰৰ চাৰিসীমাত স্থাপন কৰি পহৰাৰ ব্যৱস্থা কৰিব লাগে।

১) অভয়াৰণ্য পূব আৰু পশ্চিম সীমাত ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংযোগ কৰি ব্ৰহ্মপুত্ৰলৈ দুয়োফালে দুটা পথ (বৰ্তমান অস্থায়ী ভাৱে হ'লেও) এনেভাৱে নিৰ্মাণ কৰিব লাগে যাতে কোনো কাৰণতেই কেঁকুৰী বা ভাঁজ নাথাকে। এনে কৰিলে বহু দূৰলৈ নিৰীক্ষণ কৰিব পৰা যায় আৰু তহলদাৰী গাড়ী তৰিৎ গতিত চলাচল কৰিব পাৰিব। ক্ষিপ্ৰ পৰ্যবেক্ষণৰ সুবিধা থাকিব।

২) দক্ষিণ দিশতো ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিত এনে পহৰা ব্যৱস্থা থাকিব।

৩) কাজিৰঙাৰ উত্তৰ দিশত ব্ৰহ্মপুত্ৰ নৈ। দুখন যন্ত্ৰ চালিত পহৰা নৌকাৰ ব্যৱস্থাৰে অহৰহ নিৰীক্ষণ কৰক। এখন পূবৰ পৰা পশ্চিমলৈ আনখন পশ্চিমৰ পৰা পূবলৈ ক্ৰচ চিচটেমত পহৰা ব্যৱস্থা হাতত ল'ব লাগে।

এনে কৰিলে ব্ৰহ্মপুত্ৰৰ পানীয়েদি হওক বা স্থলভাগেদিয়েই হওক অভয়াৰণ্যৰ পৰা ওলাই যাবলৈ বিচৰা প্ৰাণীবোৰক খেদি ভিতৰত সোমাব পাৰিব। তেতিয়া গঁড়, হাতী বা অন্যান্য প্ৰাণীবোৰ বাহিৰলৈ গৈ সৰ্বসাধাৰণৰ আতংকৰ কাৰণ বা প্ৰাণহানি নহ'ব। পহৰা ৰক্ষীসকলক এক ঘণ্টাৰ বেছি সময় একেস্থানতে থাকিব দিব নালাগে। তেওঁলোকক পৰিচালনা কৰা পৰিচালকে জানিব দিব নালাগে এক ঘণ্টাৰ পাছত তেওঁৰ স্থান ক'ত হ'ব পাৰে। এনেদৰে যদি চোৰৰ প্ৰৱেশ পথতেই বাধা দিব পৰা হয় তেতিয়া হ'লে যিমান উচ্চ প্ৰশিক্ষণ প্ৰাপ্ত উগ্ৰপন্থী বা চোৰাং চিকাৰীয়ে নহওক কিয় গঁড়হত্যা কৰিবলৈ সুযোগ নাপাব।

কমলেশ্বৰ বৰদলৈ
ফোন ঃ ৯৮৫৯০৭০৩৪৭

মুখ্যমন্ত্ৰীৰ আশ্বাস সফল হ'বনে?

ৰাজ্য এখনৰ মুখ্যমন্ত্ৰী হিচাপে শপত লোৱাৰ পাছত দল-মত এৰি প্ৰতিগৰাকী নাগৰিকৰ বাবে আপোন হৈ পৰে। আপোনজনে কোৱা কথাষাৰ নিজে পাহৰিলে সোঁৱে-বাঁৱে থকা বিষয়া-কৰ্মীসকলে সোঁৱৰাই দিব লাগে। দুখৰ কথা যে এগৰাকী মুখ্যমন্ত্ৰীয়ে দিয়া আশ্বাস ফলৱতী হ'ল নে নহ'ল সেইবোৰ কথা চোৱা-চিতাৰ বাবে যেন আজিৰ পৰিৱেশত কোনো নাই। এনে দুৰ্দশাৰ বাবে বহু লোকৰ ঘৰলৈ গভীৰ অমানিশা নামি আহিছে। অথচ সংবাদ মাধ্যম, এচাম পৰোপকাৰী লোক, সামাজিক সংগঠনে দিনে-নিশাই অনুৰোধ কৰি আছে। অসম গণ পৰিষদে প্ৰথমবাৰ চৰকাৰ গঠন কৰাৰ পাছতেই কৰ্ণেল উমা শৰ্মা (সদ্যপ্ৰয়াত)ক অধ্যক্ষ হিচাপে লৈ কামৰূপ জিলাৰ ৰঙিয়া চহৰৰ নিকটৱৰ্তী তুলসীবাৰীত স্থাপন কৰে ৰাজহুৱা খণ্ডৰ এপল' উদ্যোগ। জনদৰদী শৰ্মাৰ মৃত্যুৰ পাছৰ পৰা অসাধু আমোলাৰ হাতত এপল' উদ্যোগে মৃতপ্ৰায় অৱস্থালৈ গতি কৰিছে। কংগ্ৰেছৰ ১৫ বছৰ ৰাজত্ব কালৰ আন্দোলন আৰু আশ্বাসে কোনো কাম নিদিলে। এতিয়া ৰাজ্যত বিজেপি চৰকাৰ। বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে ৰঙিয়া ভ্ৰমণৰ সময়ত এপল' মিলক কাৰ্যক্ষম কৰিব বুলি কৈছিল। পৰৱৰ্তী কালত প্ৰায় ন কোটি টকা দি কেইটামান ইউনিট খোলাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। প্ৰায় ন মাহে প্ৰস্তাৱ কাৰ্যকৰী নহ'ল। মুখ্যমন্ত্ৰীয়ে আজিয়েই ন কোটি টকা মোকলাই দিয়াৰ দিহা কৰক। এয়া ৰঙিয়াবাসীৰ কাতৰ অনুৰোধ।

ভুৱনেশ্বৰ লহকৰ, ৰঙিয়া, ফোন ঃ ৮৮৭৬৫৬২৭৯৬

'ডি' ভোটাৰৰ নামত হাৰাশাস্তি

অসমত এক সন্দেহযুক্ত নাগৰিকক চিনাক্তকৰণে ৰাইজক বাৰুকৈয়ে জ্বলা-কলা খুৱাই আছে। ইতিমধ্যে ভাৰতীয় সেনাবাহিনীত কৰ্মৰত হৈ অৱসৰ গ্ৰহণ কৰা কে'বাজনো চাকৰিজীৱীক 'ডি' ভোটাৰ চিহ্নিত কৰি ন্যায়ালয়ৰ পৰা জাননী জাৰি কৰিছে। তেওঁলোকে সম্পূৰ্ণ কাগজ-পাতি দিহে ভাৰতীয় সেনাবাহিনীত কাম কৰিছিল অথচ তেওঁলোকৰ নামতেই 'ডি' চিহ্ন। ইতিমধ্যে ৰেল বিভাগত চাকৰি কৰা জনৰ নামতো 'ডি' লগাই জাননী জাৰি কৰিছে আৰু এই বিষয়টো আনকি ভুক্তভোগীয়ে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰিছে। অসমৰ বিভিন্ন ডিটেনচন কেম্পত 'ডি' ভোটাৰসকলৰ বাসস্থান। তাৰ ভিতৰত অনেকেই ন্যায়ালয়ত যুঁজ দি নিজে যে ভাৰতীয় তাৰ প্ৰমাণ দাখিল কৰি মুকলি আকাশৰ তললৈ আহিছে; কিন্তু যিখিনি মানুহৰ আৰ্থিক অৱস্থা একেবাৰে শোচনীয় তেওঁলোকে কিন্তু ন্যায়ালয়লৈ যাব পৰা নাই আৰু চৰকাৰৰ ঘৰৰ পৰা কোনো ধৰণৰ কাগজ-পাতি উলিয়াবলৈ সক্ষম হোৱা নাই। আমি ভাবো, 'ডি' চিহ্নিত ভোটাৰ তালিকাখনে কাৰ কি সহায় কৰিব। বিদেশী বিচাৰি যধে-মধে 'ডি' চিহ্নিত কৰি ভোটাৰ তালিকা প্ৰকাশ কৰিলেই বিদেশী উলিয়াব পাৰি নেকি আৰু এই পদ্ধতিটো কি বিদেশী চিনাক্তকৰণৰ মূল ৰাস্তা নেকি? বহুতো মানুহ পাইছো তেওঁলোকে 'ডি' ভোটাৰৰ বিৰুদ্ধে ন্যায়ালয়ত যুঁজি যুঁজি সৰ্বস্বান্ত হৈছে আৰু মানসিকভাৱে ভাগি পৰিছে আৰু শেষত ন্যায়ালয়ত নিজকে ভাৰতীয় হিচাপে চিনাকি দিবলৈ সক্ষম হৈছে। আমাৰ অসমত লাখ লাখ মানুহৰ ভোটাৰ তালিকাত নাম আছে আৰু এই লাখ লাখ মানুহৰ মাজত কি প্ৰমাণৰ দ্বাৰা 'ডি' ভোটাৰ চিহ্নিত কৰিছে এইবিলাক এটা নুমুজা সাঁথৰ হৈ পৰিছে। ইপিনে ডিটেনচন কেম্পত বছৰৰ পাছত বছৰ ধৰি বন্দী জীৱন কটাই মানৱ সম্পদ হেৰুৱাইছে অথচ মানুহখিনিৰ বাবে কোনো ধৰণৰ দ্ৰুততৰ বিচাৰ-ব্যৱস্থা নাই। যদিহে ডিটেনচন কেম্পত সঁচাকৈ বিদেশী আছে, তেতিয়াহ'লে তেওঁলোকক বিচাৰ কৰি সেইখন দেশত গতাই দিব লাগে। আকৌ কোনোবা পুত্ৰ সন্দেহযুক্ত নাগৰিক আৰু বাপেক এইখন দেশৰ নাগৰিক নাইবা বাপেকক সজাইছে সন্দেহযুক্ত নাগৰিক আৰু পুত্ৰ এইখন দেশৰ নাগৰিক। মুঠৰ ওপৰত 'ডি' ভোটাৰ চিহ্নিত ভোটাৰ তালিকাখন ৰাইজৰ মাজত ত্ৰাসৰ কাৰণ হৈ পৰিছে। ভাৰতীয় সৈন্যবাহিনীত কৰ্মৰত বা অৱসৰ গ্ৰহণ কৰা মানুহক যদি 'ডি' লগাই হাৰাশাস্তি কৰিব পাৰে তেতিয়াহ'লে সাধাৰণ ৰাইজৰ ওপৰত 'ডি' ভোটাৰ তালিকাৰ নামত কি কৰা নাই। কিছুমান 'ডি' চিহ্নিত মানুহ লগ পাইছো তেওঁলোকে জীৱন-জীৱিকা সকলো বাদ দি ন্যায়ালয়ৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে নিজকে ভাৰতীয় হিচাপে চিনাক্তকৰণ কৰিবলৈ। আমি ভাবো 'ডি' চিহ্নিত ভোটাৰ তালিকাৰ নামত বিদেশী চিনাক্ত কৰিব পাৰক বা নোৱাৰক, কিন্তু 'ডি' ভোটাৰ তালিকাৰ নামত ৰাইজৰ মাজত ত্ৰাসৰ সৃষ্টি হৈছে। কাৰণ 'ডি' ভোটাৰ চিহ্ন লগালেই বিদেশী চিনাক্তকৰণ কৰিব নোৱাৰি। গতিকে ভাৰতীয় নাগৰিকে যাতে 'ডি' চিহ্নৰ দ্বাৰা হাৰাশাস্তি লাভ নকৰে সেইফালে অতি গুৰুত্ব সহকাৰে নজৰ দিয়া দৰকাৰ।

আব্দলু হালিম আহমেদ, লংকা, হোজাই, ফোন ঃ ৯৪৩৫৭৫৫৩১৩